# বাছ নহালৈ

চাৰিটি ঘৰ্মাক্ত কলেবৰ প্ৰাণী ভৰ দুপৰীয়াৰ অগ্নিবৰ্ষী ৰ'দত ভৰলুমুখৰ নিৰ্জন বাছষ্টপ এটাত লাইটপষ্টৰ লগত প্ৰায় ত্ৰিছ ডিগ্ৰী কোণৰ এডাল সৰলৰেখা কৰি বৈ আছিল। এনেকৈ থকাৰ কাৰণ বিচাৰিলে দেখা যায় যে প্ৰাণীকেইটিয়ে ছাঁ বিচাৰিছে—খুঁটাটোৰ এটা ছয় ইঞ্চিমান বহল ছাঁ বেঁকাকৈ পৰিছে, তাৰ দীঘে-দীঘে প্ৰাণীকেইটিয়ে আশ্ৰয় লৈছে। প্ৰথমজন মই স্বয়ং, মোৰ কাষলতিৰ তলত ব্ৰাউন কাগজেৰে মেৰোৱা এটা ডাঙৰ কাগজৰ বাকচত ভিটামিন, টনিক আৰু ইনজেকশ্যন, দ্বিতীয়জন এজন অধ্যাপক জাতীয় ধুতি-পাঞ্জাবি পিন্ধা আদহীয়া মানুহ, চকুত চছ্মা, হাতত কিতাপৰ বোজা, তেওঁ ৰুমালেৰে ঘনে-ঘনে মুখ মচিছে। আমি চিটী বাছৰ অপেক্ষা কৰিছোঁ। তৃতীয় প্ৰাণীটি এটা মৃতপ্ৰায়, হাড়-সৰ্বস্ব, শীৰ্ণ কুকুৰ, ধূলিয়ে-ৰ'দে গাৰ আদিম ৰং প্ৰায় উঠি গৈছে, সৰ্বাংগত মাখি পৰিছে, নেজডালেৰে মাজে-মাজে মাখি খেদিছে স্বয়ংক্ৰিয়ভাৱে। জিভাখন উলিয়াই দি টোপনি গৈছে, জিভাৰপৰা ভাপ উঠিছে, এটা চকু কাতৰভাৱে অৰ্ধ-উন্মীলিত কৰি যেন টোপনিতো চাই আছে চতুৰ্থ প্ৰাণীটিৰ পিনে, এটা বুঢ়া চানাচুৰৱালা। চানাচুৰৱালাটোৱে গলৰ পিছ পিনে তাৰ মূৰত লোৱা কাপোৰৰ থোপটোৰে ভেঁজা দি খুঁটাটোত আঁউজি আৰাম কৰি মাটিত বহি-বহি চকু মুদি সশব্দে নাক ডাকিছে, এখন হাতৰ কিলাকুটিৰে তাৰ চানাচুৰৰ কাঁচৰ বাকচটোৰ ওপৰত ভৰ দিছে, মূৰটো দুপিয়াই-দুপিয়াই একোবাৰ গৈ খুঁটাটোত খপ্‌কৈ লাগিছে, তাৰপাছত পুনৰ দুপিয়াব আৰম্ভ কৰিছে, আকৌ গৈ খুঁটাত লাগিছে। তাৰ মুখৰ খোঁচা খোঁচা দাড়িৰ আৰু গলৰ ওপৰেৰে ঘৰ্মপ্ৰপাত বৈ গৈছে। বাছষ্টপটোৰ ঠিক পিছপিনে এখন ছোৱালী হাইস্কুল, তাৰপৰা এটা একঘেঁয়ে গুঞ্জন ভাহি আহিছে।

*** *** ***

তীক্ষ্ণ ডবল হৰ্নেৰে কৰ্ণপটাহ বিদীৰ্ণ কৰি দুখন মালবোজাই ট্ৰাক পাৰ হৈ গ'ল, আৰু প্ৰচুৰ হৈ-হাল্লাৰে এটা ঘোঁৰাগাড়ীৰ শাৰী, বাৰে-বাৰে ধূলিৰ ঝাপ্‌টা উৰি নাকলৈ আহিল, অধ্যাপকজাতীয় মানুহজনে বিৰক্ত হৈ বাৰে-বাৰে তেওঁৰ সিক্ত ৰুমালখন নাকত দিলে আৰু চছ্মাযোৰ মচিব ধৰিলে, কুকুৰটোৱে নেজডালেৰে তাৰ গাটো জোঁকাৰিলে। কিন্তু চানাচুৰৱালাই নিৰ্বিকাৰভাৱে পূৰ্ণোদ্যমে নাক ডাকি গ'ল, তাৰ বিন্দুমাত্ৰ লৰচৰ নহ'ল (মূৰৰ দোলনটোৰ বাহিৰে)।

নদীৰপৰা কিবা এবিধ ধূঁৱলিৰ দৰে উঠিছে। সমস্ত ৰাস্তা যাক কয় খাঁ খাঁ কৰিছে, এছাটি বতাহ পৰ্যন্ত নাই। নদীৰ পাৰৰপৰা মাজে-মাজে ধোবাই হেইছ্চৌ-হেইছ্চৌ কৰি শিলত কাপোৰ আছাৰাৰ শব্দ আহিছে। সন্মুখৰ পাণৰ দোকানখনো বন্ধ, দোকানী হয়তো খাবলৈ গৈছে। ৰাস্তাত পিচ গলিব ধৰিছে। অধ্যাপকে দুই-এবাৰ ইফালে সিফালে চালে। নাই, বহিবলৈ ক'তো কোনো ঠাই নাই, ক'তো অলপো ছাঁ নাই, মাথোঁ এই ছয় ইঞ্চিৰ হেলনীয়া ৰেখাটোৰ বাদে। মাজতে এবাৰ কেঁকাই-কেঁকাই এখন ৰিক্সা আৱিৰ্ভূত হৈছিল, অধ্যাপকে ব্যস্ত হৈ 'হেই ৰিক্সা' বুলি হাত দাঙিলে, কিন্তু ৰিক্সাৱালাই 'ভাৰা হ্যায়, বাবু' বুলি লৰালৰিকৈ পলাল। যুগ-যুগান্তৰ পাৰ হৈ গ'ল, চিটী বাছৰ কোনো দেখাদেখি নাই। ছোৱালী ইস্কুলৰ গুঞ্জন আৰু চানাচুৰৱালাৰ নাসিকাগৰ্জন একে সুৰত সমান তালত ৰে'চ্ দি চলিছে।

*** *** ***

অৱশ্যেই আমি কথা পাতিবলৈ বাধ্য হ'লোঁ। অৱশ্যেই আমাৰ অভিযোগটো উমৈহতীয়া—আজি চিটী বাছ অহাত অতিপাত পলম কৰিছে। অৱশ্যেই চিটী বাছবোৰ অকল আজি নহয়, সদায়েই অতি অনিয়মীয়া,—'টাইম' বুলি কোনো কথা নোহোৱাই হ'ল, পাব্লিকৰ সুবিধা-অসুবিধাৰ প্ৰতি সম্পূৰ্ণ—আৰু পাব্লিকো জানো কম 'কেলাছ'? সকলো নিজ-নিজ তালত ব্যস্ত, সৰ্বসাধাৰণৰ কথা, অইনৰ কথা ভাবিবৰ কাৰ সময়, কাৰ গৰজ? পাব্লিক স্পিৰিট বুলিও কোনো কথা নোহোৱা হ'ল (থাকিল মাথোঁ 'সম্পাদকলৈ চিঠি' লিখা চাৰে চাৰিজন মানুহ)। ৰ'দে-বৰষুণে যে বাছষ্টপত মূৰৰ ওপৰত টিন এচটা লাগে, বহিবলৈ বেঞ্চি এখন লাগে, এই 'এলিমেণ্টাৰী' কথাটোও কোনোবাই গুৰুত্ব দি লয়নে? সকলোৱে দৌৰ মাৰি ঠেলি-হেঁচি বাছত উঠি পলাব পাৰিলেই ৰক্ষা পৰে। আৰু বছৰে-বছৰে ঢাক-ঢোল বজাই বনমহোৎসৱ হৈছেহে হৈছে,

বাছন্তপত এক বৰ্গ ফুট ছাঁ দিবলৈ গছ এডাল দিয়াৰ কথা কোনোবাই কেতিয়াবা ভাবিছে নে? (অফ্ কৰ্চ্, অফ্ কৰ্চ্, আপোনাৰ মোৰো দোষ আছে, আমি দুয়োও হয়তো কেতিয়াও কোনো ইনিচিয়েটিভ্ লোৱা নাই—মই ইন্ জেনেৰেল্ হে কৈছোঁ, পাৰ্ছনেলি নল'ব)।

আগৰ দিনত কথাবোৰ ইমান জঘন্য নাছিল, অধ্যাপকে ক'লে, মানুহবোৰ ইমান স্বাৰ্থপৰ নাছিল। অশোকৰ কথাকে ধৰক। মস্ত ৰজা, কিমান কাম, এই প্ৰকাণ্ড ভাৰতবৰ্ষ হেন অসম্ভৱ দেশ এখনৰ এড্‌মিনিষ্ট্ৰেশ্যন চলাব লাগে, বৌদ্ধধৰ্ম প্ৰচাৰ কৰিব লাগে, কত চিন্তা, কত লেঠা, কিমান ক্ৰাইছিছ্, কিন্তু তাৰ মাজতো তেওঁ ভাগৰুৱা পথিকৰ বাবে ৰাস্তাৰ দুয়ো কাষে গছ ৰুই দিয়াৰ কথাটো পাহৰিছিল নে?

*** *** ***

অশোকৰ সম্বন্ধে প্ৰায় এই কেইটা কথাই (আৰু হাস্পতাল পতা) ইস্কুলৰ বুৰঞ্জীৰপৰা মনত আছিল, আৰু আলোচনাৰ ধাৰাটোও মোৰ পছন্দ হ'ল—প্ৰবল মূৰ জোঁকাৰি সন্মতি জনালোঁ। ঠিকেই, আজিকালি মানুহে অন্যৰ কথা চিন্তা কৰিব নোৱৰা হ'ল, সকলোৰে ধান্দা কেৱল নিজৰ-নিজৰ কথাত, বা হয়তো নিজৰ কোনো নিৰ্দিষ্ট এটা মাত্ৰ কথাত, অইন সকলো কথাত ফাকি—অফিচৰ ছোক্‌ৰাটোৰপৰা মন্ত্ৰীলৈকে সবৰে। মোৰ নিজৰ কথাকে ধৰক—অধ্যাপকে চপ্‌চপীয়া ৰুমালখনেৰে গল মচিলে, তেওঁৰ গলেৰে নদী বৈছে—আজিকালি মোৰ একমাত্ৰ চিন্তা হৈছে মোৰ প্ৰম'শ্যনটোত—অইন কথা মই মেকানিকেলিহে ভাবোঁ—প্ৰম'শ্যনটোৱেই হৈছে বৰ্তমানে মোৰ শয়নে-জাগৰণে একমাত্ৰ ভাবনা। হয়, মই ক'লোঁ, মোৰো তেনেকুৱা দুটামান 'প্ৰি-অকুপেশ্যন' আছে, আমাৰ সকলোৰে আছে, হয়তো বিশ্বজগৎ পাহৰি দুৰ্ঘোৰ টোপনি যোৱা এই চানাচুৰৱালাটোৰো আছে ( কুকুৰটোৰ আছে নে নাই আমি উল্লেখ নকৰিলোঁ, এই ৰ'দত সাৰমেয়-মনস্তত্ত্বৰ ভিতৰত সোমাই কথা জটিলতৰ কৰাৰ কোনো অৰ্থ নহয়)। যেন মোৰ এই ট্ৰেঞ্জিষ্টৰ ৰেডিঅ'টো—মই মোৰ বাকচটোত টুকুৰিয়ালোঁ—য'ত আজিকালি মাত্ৰ গুৱাহাটীহে ধৰে, অন্য কোনো আৱাজ তাৰ মূৰত নোসোমায়, দুনিয়াৰ আন কোনো ষ্টেশ্যন সি আৰু নধৰে, যিমানেই ডায়েল নুঘূৰাওঁ, ঘোচা নামাৰোঁ, থাপ্পৰ নামাৰোঁ, নিৰ্বিকাৰ। এৰা, তেনেকুৱাই, তেওঁ ক'লে, ৰেডিঅ'টো বেয়া হৈছে নেকি? বেয়াই হৈছিল, মই ক'লোঁ, আৰু কামিজৰ বুটাম দুটা খুলি দি ৰুমালেৰে গল মচিলোঁ, ভাল কৰিব দিছিলোঁ, ভাল নহ'ল, বহুত কিবা-কিবি বদলাব লাগিব, প্ৰায় এটা নতুন ৰেডিঅ'ৰ খৰচ। অৰ্থাৎ ভাল হোৱাৰ পৰ্যায়ত বোলে আৰু নাই, প্ৰায় আমাৰ মানুহবোৰৰদৰে। এৰা, তেনেকুৱাই, তেওঁ পুনৰ ক'লে।

*** *** ***

ভাল নহ'ল? জাপানী নহয় নে? ইণ্ডিয়ান, মানে ইণ্ডিয়াত লাইচেন্স লৈ কৰা। অ', ইণ্ডিয়ান? তাকে কওক। নহ'লেতো তেনেকুৱা হোৱাৰ বিশেষ কাৰণ নাই। মোৰ এটা চানিঅ' আছে...বিংশ শতাব্দী শেষ হ'বৰ হ'ল, আমাৰ মানুহবোৰে ভালকৈ ৰেডিঅ' এটাকে বনাব নিশিকিলে, তেওঁ বিৰক্তভাৱে ক'লে। বস্তুতঃ মই যোগ দিলোঁ, আমাৰ মানুহবোৰেই একোটা বেয়া ৰেডিঅ', নিজৰ-নিজৰ ষ্টেশ্যনত ডায়েলৰ কাঁটাডাল বজি আছে, হাজাৰ চেষ্টা কৰক অইন একো নধৰে, অদ্ভুত অবোধগম্য আৱাজ কিছুমানৰ বাহিৰে তাৰপৰা অইন একো নোলায়। ঠিকেই কৈছে, ইমান সময়ৰ মূৰত তৃপ্তিৰ হাঁহি এটা মাৰি অধ্যাপকে ক'লে, একোটা বেয়া ৰেডিঅ', হেঃ-হেঃ-হেঃ। আমাৰ সাহিত্যলৈকে চাওক, পৃথিৱীৰ চাৰিওপিনৰপৰা সদায় কিমান বিচিত্ৰ ভাবধাৰা আহি আছে, আমাৰ সাহিত্যিকসকলে তাৰ কিমানখিনি ভালদৰে ধৰি আমাক শুনাব পাৰিছে—নহয় নে বাৰু? আগেয়ে কিন্তু এনেকুৱা নাছিল। (আৰু এইবোৰ কথাও এজন বিদেশী লেখকেহে আঙুলিয়াই দিব লগা হৈছে)—অধ্যাপক পুনৰ তেওঁৰ প্ৰিয় বিষয়বস্তুলৈ উভতি গ'ল—আগেয়ে, অশোকৰোঁ বহু আগেয়ে, আমাৰ মানুহে, আমাৰ জ্ঞানী-ঋষিসকলে বুজিছিল যে তাঁৰ নোহোৱাকৈয়ে, বেটাৰী নোহোৱাকৈয়ে দেশ-দেশান্তৰ পাৰ কৰি বাণী পঠিয়াব পাৰি, ভাব আৰু ছবি প্ৰেৰণ কৰিব পাৰি, সৰ্বব্যাপ্ত এক শক্তিৰে, চিন্তা আৰু ঘটনাৱলীৰ স্পন্দনেৰে সমস্ত বিশ্বব্ৰহ্মাণ্ড পৰিপূৰ্ণ, ভূত-ভৱিষ্যৎ আৰু বৰ্তমানৰ সকলো ভাব আৰু সকলো ছবি আৰু সকলো ঘটনাৰে সেই শক্তি পৰিব্যাপ্ত, সেই শক্তিক নিজৰ ইচ্ছাৰে ধৰি, সংশোধন কৰি, পৰিৱৰ্তন ঘটাই, তাকে চলাই তেওঁলোকে স্থান আৰু কালৰ বাধা অতিক্ৰম কৰিছিল, অতি সূক্ষ্ম আছিল তেওঁলোকৰ সেই ৰেডিঅ'। সেই ৰেডিঅ'ৰে তেওঁলোকে মনঃজগতৰ সকলো ভাব আৰু চাক্ষুস বহিৰ্জগতৰ সকলো শব্দ আৰু সকলো ছবি সুন্দৰকৈ ধৰিছিল। তাৰ সহায়ত তেওঁলোকে বেদ-বেদান্ত ৰচিছিল, বৈজ্ঞানিক আৱিষ্কাৰ কৰিছিল, মনোৰম কাব্য আৰু আখ্যান ৰচিছিল। সেইবোৰ সূক্ষ্মাতিসূক্ষ্ম ভাল্‌ভ-ট্ৰেঞ্জিষ্টৰবিহীন ৰেডিঅ' কেনেকৈ চলাব লাগে তাক তো আমাৰ দেশৰ আজিকালি মানুহবোৰে পাহৰিলেই, আজি অত হাজাৰ বছৰৰ পিছত ভাটিৰ পিনৰ মানুহে যিটো একেবাৰে অপৈণত, স্থূল, ৰুক্ষ বেতাঁৰ যন্ত্ৰ (আৰু টেলিভিছন) উলিয়ালে, তাকো অনুকৰণ কৰি ভালদৰে ছে'ট্ এটাই সাজিব নোৱৰা হ'ল—উঃ, বাছখন নো আজি ক'লৈ গ'ল?

*** *** ***

অকস্মাৎ ঘৰ্ঘৰ শব্দেৰে ৰাস্তাটোৰ আকাশ-বতাহ কঁপাই চিটী বাছখনে দেখা দিলে, আকস্মিকভাৱে আৱিৰ্ভূত হোৱা গৰু এটা খেদি ড্ৰাইভাৰে তীক্ষ্ণ পেঁ-পোঁ কৰি দুবাৰ ভেপুঁ দিলে, কাণ তাল মাৰি ধৰিলে। কুকুৰটোৱে আধা মেলা চকুটো খুলি নিস্পৃহভাৱে এবাৰ কেৰাকৈ চাই আকৌ চকু মুদিলে, কিন্তু চানাচুৰৱালাটোৰ নাক ডকা বন্ধ নহ'ল। আমি দুয়ো বাছত উঠি পৰিলোঁ, কণ্ডাক্টৰে ঘণ্টাটো টানি "যাব দিয়া —" বুলি কৈ লগে-লগে পুনৰ ৰছিডাল টানি ৰ'ব দিলে, ৰাস্তাৰ মূৰৰপৰা এজন মানুহে খোলা ছাতি এটা জোঁকাৰি-জোকাৰি ৰুদ্ধশ্বাসে বাছৰ পিনে দৌৰিছে। ড্ৰাইভাৰে অধৈৰ্য হৈ পুনৰ ভেঁপু দিলে, খিৰিকিৰে চাই দেখিলোঁ চানাচুৰৱালাটোৱে তেতিয়াও মূৰ দুপিয়াইছে, ইঞ্জিনৰ আৱাজ, ঘণ্টাৰ শব্দ, বাছৰ হৰ্ন, একোৱেই তাৰ চেতনাত সোমোৱা নাই; যেন তাৰ ৰেডিঅ'টোৰ প্লাগটোকেই খুলি থৈ দিছে (মোৰ ক'বৰ মন গ'ল), এনেতে টুংকৈ এটা মৃদু শব্দ হ'ল—

এইটো কি? অ', ইস্কুলৰ ঘণ্টা পৰিল। লগে-লগে বৈদ্যুতিক শ্বক পোৱাৰদৰে চানাচুৰৱালা ক্ৰিং-কৈ উঠি বহিল, তাৰপাছত বিদ্যুদ্বেগে বেতৰ খাংটোৰ ওপৰত তাৰ চানাচুৰৰ বাকচটো বহাই দিলে, খট্‌কৈ তাৰ ঢাকনিখন খুলি দিলে। চকুৰ নিমিযতে তাৰ মুখৰ নিৰাসক্ত নিদ্ৰালু ভাবটো অন্তৰ্ধান হৈ গ'ল, তাৰ মুখৰ নিৰ্জীৱ ৰেখাবোৰ মেজিকৰদৰে সক্ৰিয় হৈ উঠিল, তাৰ নিস্প্ৰভ চকু দুটা জ্বলন্ত অংগাৰৰদৰে দীপ্ত হৈ উঠিল, তাৰ শোটোৰা-শোটোৰি হাত দুখনে হাত চাফাইৰ খেল দেখুওৱা যাদুকৰৰ দৰে উদ্দাম বেগে সৰু-সৰু কাগজৰটকুৰাত বিধে-বিধে বুট-মাকৈ-মটৰভজা সজাই তাৰ ওপৰত নিমখ-জলকীয়া-পিঁয়াজৰ টুকুৰা ছটিয়াব ধৰিলে, আৰু তাৰ ক্লান্ত ওঁঠ দুখনে দ্ৰুতবেগে বিৰবিৰকৈ কিবা আওৰাব ধৰিলে মন্ত্ৰৰদৰে। ইস্কুলৰ গে'টখন খুলি গ'ল, একঘেঁয়ে গুঞ্জনটো এটা কলধ্বনিলৈ উঠিল, আৰু ফ্ৰক পিন্ধা মেখেলা চাদৰ পিন্ধা এজাক সৰু-সৰু ছোৱালীয়ে হুলস্থূল কিৰিলি লগাই চানাচুৰৱালাটোক বেৰি ধৰিলে।

*** *** ***

অ', ইয়াৰ ৰেডিঅ'টো এইটো ষ্টেশ্যনতহে বন্ধা আছিল, মই ক'লোঁ। এৰা, অধ্যাপকে ক'লে, আৰু গোটেই বেয়াও নহয় ৰেডিঅ'টো, কি কয়? তাৰ কামটো ঠিকেই হাচিল হ'ল। আমাৰো কামখিনি অতপৰে হাচিল হ'ল—ৰ'দত সময়খিনি কটাই বাছখন ধৰিলোঁ—কিন্তু ইতিমধ্যে তাকে কৰিবলৈ আমাৰ ৰেডিঅ' দুটাত বহু ষ্টেশ্যনেই ধৰিলোঁ। মই ক'লোঁ যে তাৰ ছে'ট্‌টো এক-ৰেভ্, আমাৰবোৰ অল্-ৰেভ...দৌৰি অহা মানুহজনে ছাতিটো জপাই-জপাই হুৰমূৰকৈ বাছত সোমাল, বাছখন এৰি দিলে। ঠিকেই, ভালদৰে বহি লৈ অধ্যাপকে ক'লে, কিন্তু তাৰ ৰেডিঅ'টো আমাৰ ৰেডিঅ'তকৈ বেয়া নে? সি অন্ততঃ ইমানপৰে কোনো অবান্তৰ কাম কৰা নাই, তাৰ কোনো আগ্ৰহ নথকা কথা কিছুমানো মিছামিছিকৈ কৈ যোৱা নাই, হোৱেৰ এজ্ আমি—, অধ্যাপকে এটা মৃদু হাঁহি মাৰিলে। বোধহয় আপুনি ঠিকেই কৈছে, মই কাগজৰ বাকচটো কোলাৰপৰা নমাই থৈ জেপত পইছা বিচাৰি-বিচাৰি ক'লোঁ, বস্তুতঃ মই নিজে তো কোনো দৰ্কাৰ নোহোৱাকৈ ক'বলৈ গ'লে মিছা কথাকেই ক'লোঁ। প্ৰথমতঃ মোৰ ৰেডিঅ'টোত বহুকেইটা ষ্টেশ্যনেই ধৰে, দ্বিতীয়তঃ, মোৰ এই বাকচটোকে ট্ৰেঞ্জিষ্টৰ বুলি—

ময়ো অপৰাধীৰদৰে এটা মৃদু হাঁহি মাৰিব খুজিলোঁ, কিন্তু অধ্যাপকে বাধা দি ক'লে অ', সেইটো আৰু তেওঁৰ চছ্‌মাযোৰ খুলি ৰুমালেৰে মচিব ধৰিলে; তেওঁ ক'লে যে— নাই, নাই, সেইটো একো গুৰুত্বৰ কথা হোৱা নাই, সেইটো তেওঁৰ কিবা জোতাৰ বাকচ-তাকচ যেনেই লাগিছিল, তেওঁও ইচ্ছা কৰিয়েই আলোচনাটো নষ্ট কৰা নাই—।